অধ্যায় ৬ ঃ কেন্দ্রীয় লোকসেৱা আয়োগ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কেন্দ্রীয় লোকসেৱা আয়োগ
৬.৩.১ কেন্দ্রীয় লোকসেৱা আয়োগৰ ক্রমবিকাশ বা উন্নয়ন
৬.৩.২ কেন্দ্রীয় লোকসেৱা আয়োগৰ সাংবিধানিক বিধান
৬.৩.৩ কেন্দ্রীয় লোকসেৱা আয়োগৰ গঠন, নিয়োগ, কার্যকাল আৰু সদস্যৰ অপসাৰণ পদ্ধতি
৬.৩.৪ কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলৰ চাকৰিৰ চর্ত
৬.৪ কেন্দ্রীয় লোকসেৱা আয়োগৰ কার্যাৱলী
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ কেন্দ্রীয় লোকসেৱা আয়োগৰ ক্রমবিকাশৰ সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- কেন্দ্রীয় লোকসেৱা আয়োগৰ গঠন কার্যকাল, নিয়োগ পদ্ধতি আৰু সদস্যসকলৰ অপসাৰণৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলৰ চাকৰিৰ চর্ত বর্ণনা কৰিব পাৰিব
- কেন্দ্রীয় লোকসেৱা আয়োগৰ বিভিন্ন প্রকাৰৰ কার্যাৱলী আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ভাৰতবর্ষত সংসদীয় চৰকাৰৰ অধীনত মন্ত্রীসকলে দেশৰ প্রশাসন ব্যৱস্থা পৰিচালনা কৰে; কিন্তু বিভিন্ন কাৰণত মন্ত্রীসকল প্রশাসনিক অভিজ্ঞতাসম্পন্ন স্থায়ী অসামৰিক কর্মচাৰীৰ ওপৰত নির্ভৰশীল। মন্ত্রীসকলে চৰকাৰী নীতিসমূহ নির্ধাৰণ কৰে আৰু অ-সামৰিক কর্মচাৰীসকলে এই নীতিসমূহ কার্যকৰী কৰে।

অ-সামৰিক বিষয়াসকল বা আমোলাসকল ৰাজনীতিৰ লগত জড়িত ব্যক্তি নহয়। তেওঁলোক উচ্চ অর্হতাসম্পন্ন অভিজ্ঞ ব্যক্তি। সেয়েহে ভাৰতবর্ষৰ আমোলাতন্ত্রই এক বিশেষ মর্যাদাসম্পন্ন স্থান অধিকাৰ কৰি আহিছে আৰু অতি দক্ষতাৰে চৰকাৰৰ ওপৰত নিয়ন্ত্রণ ৰক্ষা

কৰিছে। সেয়েহে চৰকাৰৰ সফলতাৰ দক্ষতা বহু পৰিমাণে আমোলাতন্ত্ৰৰ গুণাগুণৰ ওপৰত নিৰ্ভৰশীল।

অসামৰিক বিষয়াসকলৰ প্ৰবেশন, প্ৰশিক্ষণ, দৰমহা, চাকৰিৰ চৰ্ত, পদোন্নতিৰ নীতিয়ে গুৰুত্ব লাভ কৰে। সেয়েহে তেওঁলোকৰ নিৰপেক্ষ বিচাৰৰ বাবে এক স্বাধীন আৰু বিশেষজ্ঞ/ অভিজ্ঞ কৰ্তৃত্বসম্পন্ন লোকসেৱা আয়োগৰ প্ৰয়োজন।

এই অধ্যায়টিত আমি ভাৰতবৰ্ষত লোকসেৱা আয়োগৰ ক্ৰমবিকাশ, গঠন, কাৰ্যাৱলী আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম।

৬.৩ কেন্দ্ৰীয় লোকসেৱা আয়োগ (UPSC)

কেন্দ্ৰীয় প্ৰশাসনৰ সফলতা আৰু কাৰ্যকাৰিতা প্ৰধানকৈ আমোলাসকলৰ কৰ্মদক্ষতা, নিৰপেক্ষতা আৰু সততাৰ ওপৰত নিৰ্ভৰশীল। গতিকে প্ৰশাসনিক চাকৰিৰ (কৰ্মৰ) বাবে তেনেধৰণৰ ব্যক্তি মনোনীত (নিযুক্তি) কৰাৰ দায়িত্ব এক স্বাধীন আৰু নিৰপেক্ষ সস্থাৰ হাতত দিব লাগে। কাৰণ এনে ধৰণৰ নিযুক্তি ৰাজনৈতিক হস্তক্ষেপ বা অন্যান্য উপঢৌকন (Patronage) ৰ পৰা মুক্ত আৰু সম্পূৰ্ণকৈ প্ৰাৰ্থীৰ মেধা আৰু দক্ষতাৰ ভিত্তিত হ'ব লাগে। সেয়েহে ভাৰতীয় সংবিধানে কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত লোকসেৱা আয়োগৰ বিধান কৰিছে।

৬.৩.১ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ক্ৰমবিকাশ আৰু উন্নয়ন

ভাৰতবৰ্ষত লোকসেৱা আয়োগৰ ধাৰাটো পোন প্ৰথমবাৰৰ বাবে ১৯১২ চনৰ ভাৰতীয় সাংবিধানিক সংস্কাৰ (Indian Constitutional Reform) ত উল্লেখ কৰা হয়। ১৯১৯ চনৰ ভাৰত চৰকাৰৰ আইন (Government of India Act,1919) প্ৰধানকৈ পৰিচিত মণ্টেগু চেম্ছফোৰ্ড সংস্কাৰ আইনে প্ৰথমবাৰৰ বাবে লোকসেৱা আয়োগ প্ৰতিষ্ঠাৰ বিধান কৰিছিল; কিন্তু আইনখন কাৰ্যকৰী হোৱাৰ পিছত তাৎক্ষণিকভাৱে আয়োগ স্থাপিত নহ'ল।

লোকসেৱা আয়োগৰ বিকাশৰ পিছৰ পৰ্যায় আছিল ১৯২৩ চনত 'লী আয়োগ' (Lee Commission) ৰ স্থাপন। যিহেতু এই আয়োগ কেৱল সৰ্বোচ্চ অ-সামৰিক সেৱাৰ লগতহে জড়িত সেয়েহে এই আয়োগক ভাৰতবৰ্ষত 'সৰ্বোচ্চ অ-সামৰিক সেৱাৰ ৰাজকীয় আয়োগ' (Royal Commission on the Superior Civil Services) বুলি জনা যায়। এই আয়োগে প্ৰদেশবিলাকৰ বাহিৰে কেন্দ্ৰত লোকসেৱা আয়োগ প্ৰতিষ্ঠাৰ বাবে পৰামৰ্শ দিয়ে; কিন্তু এই পৰামৰ্শৱলী প্ৰায় দুই বছৰলৈকে কাৰ্যকৰী নহ'ল আৰু ১৯২৬ চনৰ ফেব্ৰুৱাৰী মাহত সৰ্বভাৰতীয় আৰু উচ্চপদস্থ সেৱাৰ বাবে এক লোকসেৱা আয়োগ গঠনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই আয়োগে ১৯২৬ চনৰ ১ অক্টোবৰৰ পৰা (কাম-কাজৰ শুভাৰম্ভ কৰে) কাৰ্যক্ষম হয়।

১৯৩৭ চনত কার্যকৰী হোৱা ভাৰত চৰকাৰ আইন, ১৯৩৫ য়ে অসামৰিক সেৱা আয়োগৰ কর্তব্যৰ বৈধানিক কর্তৃত্ব বৃদ্ধি কৰাৰ লগতে আয়োগক নতুনকৈ 'যুক্তৰাষ্ট্রীয় লোকসেৱা আয়োগ' (Federal Public Service Commission) হিচাপে নামকৰণ কৰিছে। এই আইনে প্রদেশবিলাকত নিজাকৈ লোকসেৱা আয়োগ গঠনৰ নির্দেশ প্রদান কৰিছে।

যুক্তৰাষ্ট্রীয় লোকসেৱা আয়োগে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি কাম-কাজ আৰম্ভ কৰে আৰু এই ব্যৱস্থা ১৯৪৭ চনৰ পৰা ১৯৫০ চনলৈকে অর্থাৎ ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতবর্ষত নতুন সংবিধান বলবৎ হোৱাৰ সময়ছোৱালৈকে বর্তি থাকে। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ বিধান অনুসৰণ কৰি এক স্বাধীন আৰু নিৰপেক্ষ লোকসেৱা আয়োগ প্রতিষ্ঠা কৰাৰ ব্যৱস্থা গ্রহণ কৰা হয় আৰু শেষত চূড়ান্তভাৱে 'যুক্তৰাষ্ট্রীয় লোকসেৱা আয়োগ'ৰ ঠাইত 'কেন্দ্রীয় লোকসেৱা আয়োগ' স্থাপন কৰা হয়।

৬.৩.২ কেন্দ্রীয় লোকসেৱা আয়োগৰ সাংবিধানিক বিধান

ভাৰতীয় সংবিধানৰ ৩১৫ (১) নং অনুচ্ছেদৰদ্বাৰা কেন্দ্রীয় লোকসেৱা আয়োগ (UPSC) প্রতিষ্ঠা কৰা হয়। এই অনুসৰি "এই অনুচ্ছেদৰ বিষয় বিধান অনুসৰি, কেন্দ্রৰ বাবে এক লোকসেৱা আয়োগ (UPSC) আৰু প্রত্যেক ৰাজ্যৰ বাবে এক লোকসেৱা আয়োগ (SPSC) থাকিব। তদুপৰি সংবিধানে কেন্দ্রীয় সংসদক 'যুটীয়া লোকসেৱা আয়োগ' (JPSC) গঠনৰ কর্তৃত্ব দিছে যদি দুখন বা ততোধিক ৰাজ্যই সন্মতি প্রদান কৰে আৰু নির্দিষ্ট বিধানমণ্ডলত প্রস্তাৱ উপস্থাপন/পাছ কৰে যে, সেই ৰাজ্যসমূহৰ বাবে এক একক লোকসেৱা আয়োগৰ প্রয়োজন আছে। সেয়েহে কেন্দ্রীয় লোকসেৱা আয়োগ (UPSC) আৰু ৰাজ্যিক লোকসেৱা আয়োগ (SPSC) হৈছে সাংবিধানিক সংস্থা আৰু যুটীয়া লোকসেৱা আয়োগ (JPSC) সংসদীয় আইনৰদ্বাৰা প্রতিষ্ঠা কৰা সংস্থা।

৬.৩.৩ কেন্দ্রীয় লোকসেৱা আয়োগৰ গঠন, নিযুক্তি, কার্যকাল আৰু অপসাৰণ পদ্ধতি

- ***গঠন ঃ*** সংবিধানত নির্দেশনা দিয়া হৈছে যে, এজন সভাপতি আৰু কেইজনমান সদস্যক লৈ কেন্দ্রীয় লোকসেৱা আয়োগ গঠিত হ'ব। ৰাষ্ট্রপতিয়ে সদস্যৰ সংখ্যা নির্ধাৰণ কৰিব। সাধাৰণতে (UPSC) ত কর্তৃত্বশীলভাৱে সভাপতিকে ধৰি ৯ - ৰ পৰা ১১ (৯-১১) জন সদস্য থাকে। বর্তমান সভাপতিকে ধৰি ইয়াত ৯ জনকৈ সদস্য অন্তর্ভুক্ত হৈ আছে।

- ***নিযুক্তিৰ কাৰ্যকাল ঃ*** কেন্দ্রীয় লোকসেৱা আয়োগৰ সভাপতি আৰু সদস্যসকলক ভাৰতবৰ্ষৰ ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে। এই আয়োগৰ সদস্যসকলৰ ভিতৰত অন্ততঃ আধা সংখ্যক সদস্য কেন্দ্রীয় চৰকাৰ নাইবা ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী হিচাপে দহ (১০) বছৰ কাম কৰা লোক হ'ব লাগিব। কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলক নির্ধাৰিত ছয় (৬) বছৰৰ বাবে নিয়োগ কৰা হয়। অৱশ্যে তেওঁলোকে ৬৫ বছৰ পূর্ণ হ'লে অৱসৰ গ্রহণ কৰিব লাগে।
- ***সদস্য অপসাৰণ পদ্ধতি ঃ*** কেন্দ্রীয় লোকসেৱা আয়োগৰ সভাপতি আৰু সদস্যসকলে পদত্যাগ পত্র দাখিল কৰি কামৰপৰা অব্যাহতি ল'ব পাৰে আৰু সংবিধানৰ ৩১৭ নং অনুচ্ছেদৰদ্বাৰা ৰাষ্ট্রপতিয়ে তেওঁলোকৰ অসৎ আচৰণৰ কাৰণে তেওঁলোকক পদৰ পৰা অপসাৰণ কৰিব পাৰে।

  ৰাষ্ট্রপতিৰদ্বাৰা উত্থাপিত অসৎ আচৰণৰ অভিযোগ উচ্চতম ন্যায়ালয়ত প্রমাণিত হ'ব লাগিব। তেনে অভিযোগকাৰী সংশ্লিষ্ট ব্যক্তিক তদন্তৰ সময়ত নিলম্বিত কৰি ৰাখিব পাৰে। কেন্দ্রীয় লোকসেৱা আয়োগৰ দায়িত্ব সম্পাদন কৰোঁতে সদস্যকে ধৰি সভাপতিয়ে যদি অসৎ আচৰণ বা বিত্তীয় লাভজনক বিষয়ত জড়িত হয় তেতিয়াও দোষী বুলি বিবেচিত হ'ব।

  ইয়াৰ বাহিৰেও কোনো আদালত (Competent Court) ৰ দ্বাৰা আয়োগৰ চেয়াৰমেন নাইবা কোনো সদস্য যদি দেউলীয়া হিচাপে ঘোষিত হয়, আয়োগৰ সদস্য হিচাপে কার্যনির্বাহ কৰি থকা সময়ত আন কোনো ঠাইত বেতনর্ভুক্ত কর্মচাৰী হিচাপে কার্যনির্বাহ কৰে, মানসিক নাইবা শাৰীৰিক কাৰণত সদস্যপদত অধিষ্ঠিত থকাৰ অনুপযুক্ত হিচাপে ৰাষ্ট্রপতিয়ে বিবেচনা কৰে তেতিয়াহ'লে চেয়াৰমেন নাইবা তেনে সদস্যৰ কার্যকাল উকলি যোৱাৰ আগতে ৰাষ্ট্রপতিয়ে পদচ্যুত কৰিব পাৰে।

৬.৩.৪ কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলৰ চাকৰিৰ চর্ত

আয়োগে যাতে নিৰপেক্ষভাৱে কাম কৰি যাব পাৰে তাৰ বাবে সংবিধানে কিছুমান চাকৰিৰ চর্ত নির্ধাৰণ কৰিছে। প্রথমতে, তেওঁলোকৰ দৰমহা আৰু অন্যান্য সা-সুবিধাবিলাক সংসদৰদ্বাৰা, ভোটৰদ্বাৰা নির্ধাৰিত নহয় (Non-Votable) আৰু এইসমূহ পোনপটীয়াকৈ ভাৰতবর্ষত সঞ্চিত তহবিল নিধি (Consolidated Fund of India) ৰ পৰা আদায় দিয়া হ'ব। দ্বিতীয়তে, সভাপতি আৰু সদস্যসকলৰ দৰমহা অন্যান্য সা-সুবিধাসমূহ নিয়োগ কৰাৰ পিছত ৰাষ্ট্রপতিয়ে পৰিৱর্তন কৰিব নোৱাৰে, তৃতীয়তে, (UPSC) ৰ এজন সদস্য বা সভাপতিয়ে অৱসৰ গ্রহণ কৰা পিছত কেন্দ্রীয় চৰকাৰ বাবে ৰাজ্যিক চৰকাৰৰ অধীনত কোনো কাম কৰিব নোৱাৰে তথাপি (UPSC) ৰ এজন সদস্যই অৱসৰ লোৱাৰ পিছতো যদি বয়সে অনুমতি জনাই

তেন্তে কেন্দ্রীয় লোকসেৱা আয়োগে (UPSC) বা অন্য যিকোনো ৰাজ্যৰ লোকসেৱা আয়োগৰ (SPSC) সভাপতি হ'ব পাৰিব।

উক্ত চর্তসমূহে আয়োগৰ নিৰপেক্ষতাক বর্তি ৰখাত আৰু ইয়াৰ সদস্যসকলক কার্যপালিকা বা বিধানমণ্ডলৰ প্রভাৱৰপৰা মুক্ত হৈ স্বাধীনভাৱে কার্যনির্বাহ কৰাত সহায় কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতবর্ষত প্রথমবাৰৰ বাবে লোকসেৱা আয়োগ কোন চনত গঠন কৰা হয়?

.....

.....

প্রশ্ন নং ২ ঃ 'লী আয়োগ'ৰ অন্য নাম কি আছিল?

.....

.....

প্রশ্ন নং ৩ ঃ স্বাধীনতাৰ আগত কেন্দ্রীয় লোকসেৱা আয়োগৰ নাম কি আছিল?

.....

.....

প্রশ্ন নং ৪ ঃ কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলক কোনো নিয়ুক্তি দিয়ে?

.....

.....

প্রশ্ন নং ৫ ঃ কেন্দ্রীয় লোকসেৱা আয়োগৰ সদস্যসকলৰ কার্যকাল কিমান?

.....

.....

প্রশ্ন নং ৬ ঃ কেন্দ্রীয় লোকসেৱা আয়োগৰ বর্তমান সদস্য সংখ্যা কিমান?

.....

.....

৬.৪ লোকসেৱা আয়োগৰ কার্যাৱলী

ভাৰতীয় সংবিধানৰ ৩২০ নং অনুচ্ছেদে কেন্দ্রীয় লোকসেৱা আয়োগৰ কার্যাৱলীসমূহ বিভাজিত কৰি অন্তর্ভুক্ত কৰা হৈছে। এই কার্যাৱলীসমূহৰ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ যুক্তৰাষ্ট্রীয় লোক আয়োগৰ লগত মিল আছে। এই কার্যাৱলীসমূহ দুই ভাগত ভাগ কৰিছে, যেনে— (ক) প্রশাসনিক কার্যাৱলী আৰু (খ) পৰমর্শমূলক কার্যাৱলী

- **প্ৰশাসনিক কাৰ্যাৱলী ঃ**
  - কেন্দ্ৰীয় লোকসেৱা আয়োগে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক লিখিত পৰীক্ষা, সাক্ষাৎকাৰ নাইবা মৌখিক পৰীক্ষা অনুষ্ঠিত কৰে আৰু সৰ্বভাৰতীয় সেৱা (যেনে— ভাৰতীয় প্ৰশাসনিক সেৱা (IAS), ভাৰতীয় পুলিচ সেৱা (IPS), ভাৰতীয় বৈদেশিক সেৱা (IFS) কেন্দ্ৰীয় সেৱা আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লোক সেৱাৰ বাবে ব্যক্তি নিযুক্তৰ বাবে বাচনি কৰে।
  - কেন্দ্ৰীয় লোকসেৱা আয়োগে (UPSC) বছৰি কেন্দ্ৰীয় চৰকাৰৰ অধীনষ্ঠ বিভিন্ন বিভাগৰ পদসমূহৰ বাবে বিভিন্ন লিখিত পৰীক্ষা অনুষ্ঠিত কৰাৰ উপৰি ইয়াৰ অধীনত বিভিন্ন বিভাগৰ বাব বিশেষীকৃত আৰু অন্য বিভাগৰ প্ৰাৰ্থী নিৰ্বাচন কৰিবৰ বাবে প্ৰত্যক্ষ সাক্ষাৎকাৰ অনুষ্ঠিত কৰে।
  - দুই বা ততোধিক ৰাজ্যই অনুৰোধ কৰিলে সেই ৰাজ্যৰ বাবে কৰ্মচাৰী নিয়োগৰ উদ্দেশ্য (য'ত প্ৰাৰ্থীৰ বিশেষীকৃত অৰ্হতাৰ প্ৰয়োজন) কেন্দ্ৰীয় লোকসেৱা আয়োগে প্ৰয়োজনীয় নিয়মাৱলী ৰচনা কৰে আৰু সেই নিয়মাৱলী কাৰ্যকৰী কৰিবৰ বাবে ৰাজ্যসমূহক সহায় কৰে।
  - আয়োগে সংসদীয় আইন বা ৰাজ্যিক বিধানমণ্ডলে ৰাইজৰ সেৱাৰ বাবে আগবঢ়োৱা অতিৰিক্ত কাৰ্যাৱলী সম্পাদন কৰে।
  - ৰাজ্যপালৰ অনুৰোধমৰ্মে আৰু ৰাষ্ট্ৰপতিৰ অনুমোদন সাপেক্ষে আয়োগে ৰাজ্যিক চৰকাৰৰ স্বাৰ্থৰ হকে সেৱা আগবঢ়াব পাৰে।
- **পৰামৰ্শমূলক কাৰ্যাৱলী ঃ**

  কেন্দ্ৰীয় লোকসেৱা আয়োগে কেন্দ্ৰীয় চৰকাৰক বিভিন্ন বিষয় সম্পৰ্কত পৰামৰ্শ প্ৰদান কৰিব পাৰে যেনে—
  - অসামৰিক সেৱাত প্ৰত্যক্ষ বা পদোন্নতিৰ জৰিয়তে হোৱা নিয়োগৰ ক্ষেত্ৰত নিয়োগৰ পদ্ধতি আৰু নীতি অনুসৰণ কৰিব লাগে।
  - অসামৰিক সেৱা প্ৰাৰ্থীৰ নিয়োগ, পদোন্নতি আৰু বদলিকৰণত প্ৰাৰ্থীৰ যোগ্যতা।
  - কেন্দ্ৰীয় চৰকাৰৰ অধীনত নিয়োগ কৰা লোকৰ অনুশাসন সংক্ৰান্ত বিষয়ত।
  - নিয়োগৰ নিয়মীয়াকৰণ।
  - এবছৰতকৈ অতাধিক বা তিনিবছৰতকৈ কম অস্থায়ী নিয়োগ, সেৱা কাৰ্যকাল বৃদ্ধিত অনুমোদন আৰু অৱসৰৰ পাছত পুনঃ নিয়োগ।
  - চৰকাৰী কাৰ্য সম্পাদন কৰোঁতে আইনগত কাৰ্যপ্ৰণালী (Legal Proceeding) ক সুৰক্ষা দিবলৈ চৰকাৰী বিষয়াৰদ্বাৰা হোৱা খৰছ নাইবা কৰ্মৰত অৱস্থাত আঘাতপ্ৰাপ্ত হোৱাৰ বাবে দাবী কৰা ক্ষতিপূৰণ।
  - ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিয়ে বিশেষভাৱে হস্তান্তৰিত কৰা বিষয় সন্দৰ্ভত।

  উল্লিখিত বিষয়সমূহৰ ক্ষেত্ৰত চৰকাৰে আয়োগৰপৰা পৰামৰ্শ লোৱাটো অনিবাৰ্য।

তদুপৰি এইটো মনত ৰাখিব লাগিব যে, চৰকাৰে কেন্দ্রীয় লোকসেৱা আয়োগৰ পৰামর্শ গ্রহণ কৰাত বাধ্যবাধকতা নাই। তদুপৰি উল্লেখ কৰিবলগীয়া যে ভাৰতীয় সংবিধানৰ বাহিৰেও কেন্দ্রীয় লোকসেৱা আয়োগৰ অন্য কার্যসমূহৰ উৎস হ'ল— (ক) কার্যপালিকাৰ নীতি-নিয়ম আৰু নির্দেশ (আদেশ), (খ) প্রথাসমূহ (Conventions) আৰু (গ) সংবিধানৰ ৩২১ নং অনুচ্ছেদ অনুসৰি সংসদে প্রস্তুত কৰা আইন।

- **বার্ষিক প্রতিবেদন ঃ**

  আন এটা গুৰুত্বপূর্ণ কার্যাৱলী হ'ল সংবিধানৰ ৩২৩ নং অনুচ্ছেদৰ বিধান অনুসৰি কেন্দ্রীয় লোকসেৱা আয়োগে ৰাষ্ট্রপতিক বছৰটোৰ কর্মৰাজিৰ বিস্তাৰিত প্রতিবেদন (Comprehensive Report) দাখিল কৰিব লাগে। ৰাষ্ট্রপতিয়ে সংসদৰ উভয় সদনত এই প্রতিবেদন গৃহীত হ'বৰ বাবে উত্থাপন কৰিব আৰু কোনবোৰ পৰামর্শ গ্রহণ কৰা নহ'ল নাইবা কি কাৰণত গ্রহণ নকৰিলে তাৰ এক ব্যাখ্যা আগবঢ়াব। যিহেতু আয়োগে ইয়াৰ প্রতিবেদনত চৰকাৰে গ্রহণ নকৰা সকলো বিষয় প্রতিবেদনত উল্লেখ কৰিছে। সেয়ে চৰকাৰৰ পক্ষে উপযুক্ত কাৰণ নোহোৱাকৈ কেন্দ্রীয় লোকসেৱা আয়োগৰ (UPSC) পৰামর্শ বাতিল কৰাটো অসুবিধাজনক। সংসদে এই প্রতিবেদনৰ সহায়ত চৰকাৰী নিযুক্তি আৰু প্রবেশন নীতিৰ ওপৰত নিয়ন্ত্রণ কৰিব পাৰে।

- **কেন্দ্রীয় লোকসেৱা আয়োগৰ সীমাৱদ্ধতা ঃ**
  - ➢ কোনো সেৱা নাইবা পদৱীত নিয়োগৰ ক্ষেত্রত অনুসূচিত জাতি (SC), অনুসূচিত জনজাতি (ST), আৰু অন্যান্য পিছপৰা শ্রেণী (OBC) সংৰক্ষণ কৰিবৰ বাবে কেন্দ্রীয় লোকসেৱা আয়োগৰ ওচৰত আলোচনা কৰা নহয়।
  - ➢ কোনো বিচাৰৰ কাৰণে নিযুক্ত বিচাৰ আয়োগৰ সভাপতি (চেয়াৰমেন) বা সদস্য বাচনি আৰু উচ্চপদত থকা ৰাষ্ট্রদূতৰ বাচনিৰ ক্ষেত্রত লোকসেৱা আয়োগৰ লগত আলোচনা কৰা নহয়।
  - ➢ যিহেতু কেন্দ্রীয় চৰকাৰৰ অধীনৰ সকলো তৃতীয় আৰু চতুর্থ শ্রেণীৰ কর্মচাৰীৰ নিয়োগ ষ্টাফ চিলেকচন কমিচনে (Staff Selection Commission) সম্পন্ন কৰে। সেয়ে এই সন্দর্ভত কেন্দ্রীয় লোকসেৱা আয়োগৰ লগত আলোচনা কৰা নহয়।
  - ➢ সাময়িক (অস্থায়ী) পদসমূহ পূ�ৰণৰ ক্ষেত্রত, য'ত নিযুক্তি ১ বছৰ কম হ'ব তাত আয়োগৰ পৰামর্শ নালাগে।
  - ➢ বিষয়া, প্রশাসন আৰু প্রশিক্ষণ বিভাগ প্রতিষ্ঠা হোৱাৰপৰা কেন্দ্রীয় লোকসেৱা আয়োগে সেৱা শ্রেণীবিভাজন, বেতন আৰু সেৱা চর্ত, প্রশিক্ষণ, কেডাৰ পৰিচালনা (Cadre Management) ইত্যাদিত জড়িত নাথাকে আৰু ইয়াৰ কার্য নিয়োগকাৰী সংস্থাতে সীমাৱদ্ধ।
  - ➢ কেন্দ্রীয় ভিজিলেনচ্ আয়োগ (Central Vigilance Commission) ১৯৬৪

চনত প্রতিষ্ঠা হোৱাৰ পাছত উচ্চপদস্থ চৰকাৰী বিষয়াৰ অনুশাসন সংক্রান্তীয় বিষয়ত আয়োগৰ ভূমিকা হ্রাস হয়।

কেন্দ্রীয় লোকসেৱা আয়োগে ভাৰতবর্ষত যোগ্যতাৰ ভিত্তিত নিয়োগ পদ্ধতিৰ কার্যকাৰিতা এক ৱাটচ্ দগ (Watch Dog) হিচাপে দায়িত্ব পালন কৰি আহিছে। ইতিমধ্যে এই আয়োগে ইয়াৰ সামর্থ প্রমাণ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ সংবিধানৰ কোনটো অনুচ্ছেদে কেন্দ্রীয় লোকসেৱা আয়োগ (UPSC) ৰ কার্যাৱলী প্রদান কৰিছে?

(ক) ৩১৮ (খ) ৩১৯ (গ) ৩২০ (ঘ) ৩২১

.....

প্রশ্ন নং ৮ ঃ কেন্দ্রীয় লোকসেৱা আয়োগ (UPSC) পৰামর্শমূলক সংস্থা। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৯ ঃ কেন্দ্রীয় লোকসেৱা আয়োগ (UPSC) ক কোনে অতিৰিক্ত কার্যাৱলী প্রদান কৰিব পাৰে?

ক) ৰাষ্ট্রপতি খ) সভাপতি, UPSC

গ) সংসদ ঘ) প্রধানমন্ত্রী

.....

প্রশ্ন নং ১০ ঃ কন্দ্রীয় লোকসেৱা আয়োগ (UPSC) ৰ দুইধৰণৰ কার্যাৱলী কি কি?

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেন্দ্রীয় লোকসেৱা আয়োগ এক স্বাধীন আৰু নিৰপেক্ষ সংস্থা, যিয়ে অ-সামৰিক কর্মচাৰীৰ নিয়োগৰ বিষয়ত নিৰপেক্ষ আৰু চৰকাৰৰ অভিজ্ঞ পৰামর্শদাতা হিচাপে দায়িত্ব নির্বাহ কৰে।
- ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে প্রথমবাৰৰ বাবে ভাৰতত লোকসেৱা আয়োগ গঠনৰ বিধান দিয়ে আৰু পিছলৈ ১৯২৩ চনত লী আয়োগে সবল সমর্থন আগবঢ়ায়। অৱশেষত ১৯২৬ চনত প্রধানকৈ পৰামর্শমূলক ক্ষমতা সহিতে লোকসেৱা আয়োগ গঠন হয়।

- ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে আয়োগখন নতুনকৈ যুক্তৰাষ্ট্রীয় লোকসেৱা আয়োগ (Federal Public Service Commission) নামকৰণ কৰি এই আয়োগৰ বৈধানিক কর্তৃত্ব বৃদ্ধি কৰে, আয়োগৰ কার্যাৱলীসমূহ নির্দিষ্ট কৰে যিসমূহ পিছলৈ ভাৰতীয় সংবিধানত অন্তর্ভুক্ত কৰা হয়।
- স্বাধীনতাৰ পাছত যুক্তৰাষ্ট্রীয় সেৱা আয়োগৰ ঠাইত ১৯৫০ চনত কেন্দ্রীয় লোকসেৱা আয়োগে স্থান লয় আৰু সাংবিধানিক মর্যাদা লাভ কৰে।
- কেন্দ্রীয় লোকসেৱা আয়োগ, ৰাজ্যিক লোকসেৱা আয়োগ আৰু যুটীয়া লোকসেৱা আয়োগ হ'ল লোকসেৱা আয়োগৰ তিনিধৰণৰ বিভাগ।
- সংবিধানৰ ৩২০ নং অনুচ্ছেদে কেন্দ্রীয় লোকসেৱা আয়োগৰ কার্যসমূহক দুই ভাগত প্রশাসনিক আৰু পৰামর্শমূলক নির্দিষ্ট কৰি দিছে।
- কেন্দ্রীয় লোকসেৱা আয়োগৰ সভাপতি আৰু সদস্যসকলক ভাৰতবর্ষৰ ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে।
- সংবিধানৰ বাহিৰেও কেন্দ্রীয় লোকসেৱা আয়োগে ইয়াৰ কার্যাৱলীসমূহ সংসদৰদ্বাৰা অনুমোদিত আইন, কার্যপালিকাৰ নীতি-নিয়ম আৰু আদেশ আৰু প্রথা (Convention) ইত্যাদিৰ পৰা আহৰণ কৰে।
- কেন্দ্রীয় লোকসেৱা আয়োগৰ প্রধান কাম হ'ল, প্রতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰাৰ জৰিয়তে অসামৰিক বিষয়া নির্বাচন আৰু চৰকাৰৰ নিযুক্ত, পদোন্নতি, বদলি আদি সংক্রান্তত পৰামর্শ প্রদান।
- আয়োগে তেওঁলোকে কৰা কামৰ বার্ষিক প্রতিবেদন ৰাষ্ট্রপতিৰ আগত জমা দিব লাগে।
- কিছুমান বিষয়ৰ ক্ষেত্রত কেন্দ্রীয় লোকসেৱা আয়োগৰ নির্দিষ্ট সীমাৱদ্ধতা আছে।
- বিভিন্ন সমালোচনা স্বত্বেও কেন্দ্রীয় লোকসেৱা আয়োগে নিজ কর্মৰ ক্ষেত্রত দক্ষতাৰে আৰু নিৰপেক্ষভাৱে কার্যনির্বাহ কৰিব পাৰিছে।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। স্নাতক মহলাৰ লোক প্রশাসন — ড° কৃপেশচন্দ্র পাল, অধ্যাপক প্রতুল চন্দ্র নায়ক।

২। স্নাতক লোক প্রশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্রশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্রন্থ ঃ

1) Avasthi, Amreswar, & Avasthi, Anand Prakash (1999).*Indian*